DR. HIMANTA BISWA SARMA, MA LLB PhD
Minister, Government of Assam
Finance, Planning & Devp. Health & F.W.,
Education, Guwahati Devp. Deptt., Tourism,
Cooperation, Handloom & Textile, (Khadi &
Village Industry), Pension & Public Grievances.

সত্যমেৱ জয়তে

Assam Secretariat (Block -
Dispur, Guwahati - 781 006
Tel. No.: 0361-2237315
Fax : 0361-2237012
e-mail : himantab@hotmail.c

প্ৰতি

.......................................................................

.......................................................................

বিষয় ঃ "গুণোৎসৱ" কাৰ্যসূচী ৰূপায়ণ সম্পৰ্কত

শ্ৰদ্ধাভাজন মহাশয়/মহাশয়া,

সৰ্বপ্ৰথমে মোৰ নমস্কাৰ গ্ৰহণ কৰিব। আপোনালোক হ'ল শিক্ষা ব্যৱস্থাৰ গাঁথনিৰ এটা মূল স্তম্ভ। আপোনালোকে সমাজৰ ভৱিষ্যত প্ৰজন্মক শিক্ষিত কৰি দেশৰ উন্নতিৰ ভেটি সুদৃঢ় কৰাৰ ক্ষেত্ৰত বছৰ বছৰ ধৰি যৎপৰোনাস্তি চেষ্টা চলাই আহিছে। অৱশ্যে এই বিষয়ে আমি অৱগত যে আমাৰ যথাসাধ্য চেষ্টা সত্বেও ৰাজ্যৰ শৈক্ষিক বাতাৱৰণত বিশেষকৈ প্ৰাথমিক পৰ্যায়ৰ ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰাৰ প্ৰয়োজনীয়তা আছে।

গতিকে প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত থকা সমস্যাসমূহক প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰি চৰকাৰী শিক্ষা ব্যৱস্থাৰ ওপৰত ৰাইজৰ বিশ্বাস ঘূৰাই অনাৰ ক্ষেত্ৰত এক দৃঢ় পদক্ষেপ গ্ৰহণৰ এয়াই উপযুক্ত সময়। এই লক্ষ্য আগত ৰাখি নিদানমূলক শিক্ষাৰ উদ্দেশ্যে, শিকনৰ ব্যৱধানসমূহ চিনাক্তকৰণৰ জৰিয়তে কাৰ্যকৰী আৰু ফলপ্ৰসূ কৰ্মপন্থাৰ দ্বাৰা প্ৰাথমিক পৰ্যায়ত "গুণোৎসৱ" নামেৰে গুণগত শিক্ষাৰ উন্নীতকৰণৰ এক কাৰ্যসূচী ৰূপায়ণৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই কাৰ্যক্ৰমটো ২০-২৩ মাৰ্চ, ২০১৭ ত আয়োজন কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। ২০ মাৰ্চ, ২০১৭ তাৰিখে বিদ্যালয়সমূহত দ্বিতীয় শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰীসকলৰ পঠনৰ মূল্যায়ন কৰা হ'ব। ২১, ২২ আৰু ২৩ মাৰ্চ, ২০১৭ তাৰিখে বহিঃ মূল্যায়নকাৰী এজনে আপোনাৰ বিদ্যালয় ভ্ৰমণ কৰিব, যিজন তত্ত্বাৱধায়ক আৰু নিৰ্দেশক হিচাপে ৰাজ্যৰ গুণগত শিক্ষাৰ উন্নয়নৰ হকে শিক্ষা বিভাগৰ সহযোগী হ'ব। বহিঃ মূল্যায়নকাৰীজন ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰেৰণাও হ'ব আৰু ছাত্ৰ-ছাত্ৰীসকলকো তেওঁৰ নিচিনা এজন হ'বলৈ উৎসাহিত কৰিব। এই সন্দৰ্ভত বিস্তাৰিত নিৰ্দেশাৱলী অতি শীঘ্ৰে বিতৰণ কৰা হ'ব।

এয়া হ'ল চৰকাৰৰ এক ধ্বজাবাহক কৰ্মসূচী আৰু ইয়াৰ সফল ৰূপায়ণৰ হকে আমি সচেতনতা আৰু ঐকান্তিকতাৰে দলবদ্ধ হৈ কাম কৰিব লাগিব যাতে আমাৰ ৰাজ্যখনক উন্নতিৰ শিখৰলৈ লৈ যাব পাৰো। এই কাৰ্যক্ৰমৰ সফল ৰূপায়ণত আপোনালোকৰ সহযোগিতাৰ বাবে মই আহ্বান জনালো য'ত আপোনালোকৰ সক্ৰিয় অংশগ্ৰহণ তথা নিম্নলিখিত প্ৰচেষ্টা গ্ৰহণ একান্ত বাঞ্ছনীয়।

(ক) এই কাৰ্যক্ৰমৰ সকলো কাৰ্যকলাপত সংশ্লিষ্ট সকল যেনে ছাত্ৰ-ছাত্ৰী/বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য/ৰাইজৰ ১০০ শতাংশ উপস্থিতি সুনিশ্চিত কৰা।
(খ) গুণোৎসৱ কাৰ্যসূচীৰ লগত জড়িত সকলো প্ৰশিক্ষণ ক্ৰিয়াকলাপত আপোনালোকৰ উপস্থিতি বাধ্যতামূলক।
(গ) কৰ্তৃপক্ষৰ নিৰ্দেশমৰ্মে তথা বিস্তৃত নিৰ্দেশাৱলী অনুসৰি সকলো কাম সচেতনতা আৰু গুৰুত্বসহকাৰে পালন কৰা।
(ঘ) শিশুসকল, ৰাইজ, বিদ্যালয় পৰিচালনা সমিতিৰ সদস্যসকলক কাৰ্যক্ৰমৰ বাবে প্ৰস্তুত কৰা।

নিজৰ বিদ্যালয়ত এই কাৰ্যক্ৰমটোৰ সফল ৰূপায়ণৰ নেতৃত্ব আন্তৰিকতাৰে গ্ৰহণ কৰিবলৈ মই অনুৰোধ জনালো।

গুণোৎসৱ কাৰ্যসূচীৰ নিৰ্দ্ধাৰিত তাৰিখৰ পূৰ্বে কোনো সমস্যা থাকিলে ১৮০০৩৪৫৩৫২৫ এই নিঃশুল্ক (Toll Free) নম্বৰৰ যোগেদি আমাক অৱগত কৰক। প্ৰকৃত সমস্যা সমাধানৰ ক্ষেত্ৰত আমি যথাসাধ্য চেষ্টা কৰিম।

এই কাৰ্যক্ৰমৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত আপোনাৰ কৰণীয়খিনি নিষ্ঠাৰে পালন কৰিবলৈ মই পুনৰবাৰ অনুৰোধ জনালোঁ।

আপোনাৰ বিশ্বাসী

(ড° হিমন্ত বিশ্ব শৰ্মা)